ভাৰতৰ উচ্চতম ন্যায়ালয়

দেৱানী আপীল অধিকাৰক্ষেত্ৰ

**দেৱানী আপীল নম্বৰ- ১২৪৮/২০১৯**

**(বিশেষ অনুমতি আৱেদন (দেৱানী) (বিলম্ব) নম্বৰ- ৩৬৩৫৯/২০১৭ পৰা উদ্ভৱ)**

কল্পনা বণিক ও অন্যান্য

--- আপীলকাৰীগণ

-বনাম-

স্বপন কুমাৰ পাল ও অন্যান্য

--- প্ৰতিপক্ষগণ

**আদেশ**

বিলম্ব উপেক্ষা কৰা হ'ল।

অনুমতি মঞ্জুৰ কৰা হ'ল।

এই বিষয়ত উচ্চ ন্যায়ালয়ে গোচৰ পুনৰুদ্ধাৰ ক্ষেত্ৰত ৩৩৪ দিনৰ বিলম্ব উপেক্ষা বিচাৰি দাখিল কৰা আৱেদন প্ৰত্যাখ্যান কৰিছে।

আমাৰ দৃষ্টিত আপীলকাৰীসকল এটা সুযোগ পোৱাৰ অধিকাৰী আৰু বিষয়টোৰ গুৰুত্বৰ ওপৰত প্ৰাধান্য দি শুনানি ল'ব লাগিছিল। কিন্তু আপীলকাৰী সকলৰ পৰা হোৱা বিলম্ব উপেক্ষা কৰা নাযাব যদিহে সিঁহতৰ ওপৰত কিছুমান চৰ্ত আৰোপ কৰা নাযায়।

দুয়ো পক্ষৰ অধিবক্তাক শুনাৰ পিছত আমি মত পোষণ কৰো যে ন্যায় প্ৰদান কাৰ্য্য তেতিয়াহে ফলপ্ৰসূ হ'ব যদিহে আপীলকাৰীসকলক ত্ৰিপুৰা উচ্চ ন্যায়ালয়ৰ পঞ্জীয়কক মুঠ ১,৫০,০০০ (এক লাখ পঞ্চাছ হাজাৰ) টকা আদায় দিবলৈ নিৰ্দেশ দিয়া হয়।

নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত উক্ত টকাখিনি জমা দিয়াৰ পিছত উক্ত টকাখিনি প্ৰতিপক্ষগণক তেওঁলোকৰ উপযুক্ত চিনাক্তকৰণ প্ৰমাণ সাপেক্ষে আদায় দিয়া হ'ব আৰু তেতিয়াহে নিয়মিত দ্বিতীয় আপীল (RSA) নম্বৰ-৬/২০০৬ ফাইলত পুনৰ বাহাল থাকিব।

পৰৱৰ্তী পৃষ্ঠাত

আমি ত্রিপুৰা আৰু আগৰতলা উষ্চ ন্যায়ালয়ক এই নিয়মিত দ্বিতীয় আপীল নম্বৰ ৬/২০০৬ অতি সোনকালে, যদি সম্ভৱ এই হুকুম পোৱাৰ তিনি মাহৰ ভিতৰত নিষ্পত্তি কৰিবলৈ অনুৰোধ জনালোঁ।

আমি এইটোও স্পষ্ট কৰি দিব বিচাৰিছোঁ যে যদিহে উক্ত টকা নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত জমা দিয়া নহয়, তেতিয়া আপীলকাৰীসকলে এই হুকুমৰ ভিত্তিত কোনো ধৰণৰ সুবিধা নাপাব আৰু উষ্চ ন্যায়ালয়ৰ ২৩/১১/২০১৬ তাৰিখৰ হুকুম অপৰিৱৰ্তিত থাকিব।

আপীল নিষ্পত্তি কৰা হ'ল।

যদি কোনো ধৰণৰ অমীমাংসিত আৱেদন আছে, তেন্তে এই হুকুম মৰ্মে নিষ্পত্তি কৰা হ'ল।

(উদয় উমেশ ললিত)

(ইন্দু মলহোত্ৰা)

নতুন দিল্লী

জানুৱাৰী ২৮, ২০১৯

পৰৱৰ্তী পৃষ্ঠাত

কাৰ্য্যক্ৰমণিকা নম্বৰ ৪৮ খণ্ড নং- ১৪

আদালত নম্বৰ- ৯

<u>ভাৰতৰ উচ্চতম ন্যায়ালয়</u>

<u>আদালতৰ কাৰ্যবিৱৰণী পঞ্জী</u>

<u>বিশেষ অনুমতি আৱেদন (দেৱানী) পঞ্জী নং- ৩৬৩৫৯/২০১৭</u>

(গুৱাহাটী উচ্চ ন্যায়ালয়, আগৰতলাই নিয়মিত দ্বিতীয় আপীল নং ৬/২০০৬ ওপৰত ২৩/১১/২০১৬ তাৰিখে দিয়া বিৰোধিত (Impunged) চূড়ান্ত ৰায় ও হুকুমৰ পৰা উদ্ভৱ)

কল্পনা বণিক ও অন্যান্য

--- আপীলকাৰীগণ

-বনাম-

স্বপন কুমাৰ পাল ও অন্যান্য

--- প্ৰতিপক্ষগণ

(গোচৰ দাখিল ও পুনৰ দাখিলৰ ক্ষেত্ৰত হোৱা বিলম্ব উপেক্ষা কৰাৰ বাবে আৱেদন)

তাৰিখঃ ২৮/০১/২০১৯ এই বিষয়সমূহ আজি শুনানিৰ কাৰণে লোৱা হ'ল।

উপস্থিতঃ

মহামান্য ন্যায়াধীশ উদয় উমেশ ললিত

মহামান্য ন্যায়াধীশ ইন্দু মলহোত্ৰা

আৱেদনকাৰীগণৰ পক্ষে- ৰঞ্জন মুখাৰ্জী, এ. ও. আৰ

এছ ভৌমিক, অধিবক্তা

প্ৰতিপক্ষগণৰ পক্ষে- মায়াংক পাণ্ডে, এ. ও. আৰ

দুয়োপক্ষৰ অধিবক্তাসকলক শুনাৰ পিছত আদালতে তলত উল্লেখ কৰা হুকুমসমূহ জাৰি কৰে।

বিলম্ব উপেক্ষা কৰা হ'ল।

অনুমতি মঞ্জুৰ কৰা হ'ল।

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

স্বাক্ষৰিত হুকুমৰ ভিত্তিত এই আপীল নিষ্পত্তি কৰা হ'ল।

যদি কোনো অমীমাংসিত আৱেদন আছে, এই আদেশ মৰ্মে নিষ্পত্তি কৰা হ'ল।

(ইন্দু মাৰৱা) (সুমন জৈন)

কোৰ্ট মাষ্টাৰ শাখা বিষয়া

(স্বাক্ষৰিত আদেশ ফাইলত ৰখা হ'ল)

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্যক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ সম্পাদনা আৰু কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।)